**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-01-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***HEADLINES***
- - - - - - - - - - - - - -

১। দেশৰ ব্যৱসায়িক ক্ষেত্ৰৰ কেইবাগৰাকীও গুৰুত্বপূৰ্ণ ব্যক্তিক মুম্বাইত সাক্ষাৎ কৰি অসমত তেওঁলোকৰ বিনিয়োগ পৰিকল্পনা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আলোচনা।

২। শিল্প সংস্কৃতি আৰু সমাজ জীৱনলৈ অনবদ্য অৱদান আগবঢ়োৱা ৫ গৰাকী বিশিষ্ট ব্যক্তিলৈ অসম চৰকাৰৰ ২০২৪ আৰু ২০২৫ বৰ্ষৰ শিল্পী বঁটা।

৩। গুৱাহাটীৰ খানাপাৰাত চলি থকা অসম গ্ৰন্থমেলাত আজি শিশুৰ দিন শীৰ্ষক কাৰ্যসূচী সম্পন্ন।

৪। লোকসংস্কৃতিৰ সমন্বয়ৰে আয়োজিত পঞ্চদশ চানডুবি উৎসৱৰ সামৰণি।

আৰু

৫। চিডনী টেষ্টত ভাৰতক পৰাজিত কৰি অষ্ট্ৰেলিয়াৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী দখল।

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুম্বাইত দেশৰ ব্যৱসায়িক ক্ষেত্ৰৰ কেইবাগৰাকীও গুৰুত্বপূৰ্ণ ব্যক্তিক সাক্ষাৎ কৰি অসমত তেওঁলোকৰ বিনিয়োগ পৰিকল্পনা আৰু অন্যান্য দিশসমূহ আলোচনা কৰে। ড০ শৰ্মাই এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ তেওঁলোকক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে টাটা গোট, লাৰ্চেন এণ্ড টাৰ্বো, মহিন্দ্ৰা গোট আৰু আদানী এয়াৰপোৰ্টৰ দৰে বিশিষ্ট উদ্যোগপতি আৰু উদ্যোগজগতৰ কেইবাগৰাকীও নেতাৰ সৈতে আলোচনাত মিলিত হয়। ইয়াৰ উপৰি ছান ফাৰ্মা, লক্ষ্মী টি, ঝ ব ঢ, ৰেলস্পুন গ্ৰুপ আৰু আন আন প্ৰতিষ্ঠানৰ নেতাসকলকৰ সৈতে অসমত কৌশলগত বিনিয়োগৰ বাবে উপায় বিচাৰি তেওঁ আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বিস্তৃত বিনিয়োগ সম্ভাৱনা উদঘাটন কৰাৰ বাবে সহায় আগবঢ়াবলৈও তেওঁলোকক অনুৰোধ জনায়। ড০ শৰ্মাই আজি এইচ ডি এফ চি বেংকৰ মুখ্য কাৰ্যবাহী বিষয়া শশীধৰ জগদিশনক সাক্ষাৎ কৰি প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাক অগ্ৰাধিকাৰ দি ৰাজ্যখনৰ অৰ্থনীতি সবল কৰাৰ দিশত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ বিষয়ে তেওঁক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে দক্ষ আৰু অনুশাসন মানি চলা কৰ্মশক্তিৰ জৰিয়তে দেশৰ ক্ৰমবৰ্ধমান বেংকিং উদ্যোগক কেইবাটাও সুযোগ প্ৰদান কৰি আহিছে।

উল্লেখযোগ্য যে অসম চৰকাৰে ঔদ্যোগীক অংশীদাৰ ফিক্কিৰ সহযোগত কাইলৈ মুম্বাইত এটা বিশেষ ৰোড শ্ব'ৰ আয়োজন কৰিছে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত ৰাজ্যখনত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ এডভাণ্টেজ

আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি শীৰ্ষ সন্মিলন ২০২৫ৰ এটি পূৰ্বভাষৰূপে এই ৰোড শ্ব'ৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই ৰোড শ্ব'ৰ নেতৃত্ব দিব।

০০০০০০

অসম চৰকাৰে অহা ১৭ জানুৱাৰীত চলিত বছৰৰ শিল্পী দিৱসৰ সৈতে সংগতি ৰাখি শিল্প সংস্কৃতি আৰু সমাজ জীৱনলৈ অনবদ্য অৱদান আগবঢ়োৱা ৫ গৰাকী বিশিষ্ট ব্যক্তিক শিল্পী বঁটাৰে সন্মানিত কৰিব। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই আজি এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে।

**বাইট (বিমল বৰা)**

মন্ত্ৰী বৰাই কয়, যে বিশিষ্ট কণ্ঠশিল্পী ড০ অনিমা চৌধুৰী আৰু লোকশিল্পী মুকুল ৰাভাক ২০২৫ বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। কেইবাখনো অসমীয়া চলচ্চিত্ৰ আৰু বহু জনপ্ৰিয় গীতত কণ্ঠদান কৰা ড০ অনিমা চৌধুৰী আকাশবাণী আৰু দূৰদৰ্শনৰ এ-গ্ৰেড স্বীকৃতিপ্ৰাপ্ত শিল্পী। তেওঁ অসমৰ লোক গীত-মাতসমূহ সুৱদি কণ্ঠৰেৰে পৰিৱেশন কৰি শ্ৰোতা ৰাইজক মুগ্ধ কৰি আহিছে। একেদৰে কেইবাখনো ৰাভা লোক সংগীতৰ শ্ৰব্য গীতৰ সঁফুৰাত কণ্ঠদান কৰা মুকুল ৰাভাই ৫খন গ্ৰন্থ ৰচনাৰে সাহিত্যৰ ভঁৰালো সমৃদ্ধ কৰিছে।

২০২৪ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ আগবঢ়োৱা হ'ব। ভালেসংখ্যক চলচ্চিত্ৰত অভিনয়েৰে দৰ্শকৰ সুপৰিচিত ৰেবা ফুকনে ভ্ৰাম্যমান নাটকত শক্তিশালী অভিনয়েৰে অগণন দৰ্শকক মোহিত কৰি ৰাখিছে। সাহিত্যচাৰ্য অতুল চন্দ্ৰ বঁটা প্ৰবীন অভিনেত্ৰী হিৰা নেওগক প্ৰদান কৰা হ'ব। অভিনেত্ৰীগৰাকীয়ে কেইবাখনো অসমীয়া চলচ্চিত্ৰ আৰু নাটকত অনবদ্য অভিনয়েৰে ৰাজ্যখনৰ অভিনয়ক্ষেত্ৰক সমৃদ্ধ কৰিছে। ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মক প্ৰদান কৰা হ'ব। শ্ৰীব্ৰহ্মই নিজৰ অৱদানেৰে সমাজখনলৈ যথেষ্ট অৰিহণা যোগাই আহিছে বুলি সংবাদমেলত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্টিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাত চলি থকা অসম গ্ৰন্থমেলাত আজি শিশুৰ দিন শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা চাৰে ৯ বজাৰ পৰা দিনৰ ২ বজালৈ চিত্ৰাংকন, মুকলি কুইজ, কবিতা আবৃত্তি প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই প্ৰতিযোগিতাসমূহত বিভিন্ন বিদ্যালয়ৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে আজি দেওবাৰ হোৱা হেতুকে গ্ৰন্থমেলাথলীত অগণন লোকৰ সমাগম হৈছে। আজিও গ্ৰন্থমেলাৰ বাকৰিত কেইবাটাও

মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হয়। গ্ৰন্থমেলাত কালি পৰ্যন্ত ৫ কোটি ১০ লাখ টকাৰো অধিক মূল্যৰ গ্ৰন্থ বিক্ৰী হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি শিৱসাগৰ জিলাৰ চেৰেকাপাৰত আতন বুঢ়াগোহাঁই মৈদামৰ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধন আঁচনিৰ আধাৰশিলা স্থাপন কৰে। এই আঁচনিৰ অধীনত টাই-আহোম উন্নয়নৰ পৰিষদৰ ৪৫ লাখ টকাৰে মৈদামথলীৰ চৌপাশে পকীবেৰ নিৰ্মাণ কৰাৰ লগতে এই মৈদামৰ উন্নয়ন সাধন কৰা হ'ব বুলি শ্ৰীমাৰ্ঘেৰিটাই জানিবলৈ দিয়ে। তেওঁ লগতে স্বৰ্গদেউ চক্ৰধবজ সিংহৰ দিনত ৰাজমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰা বুঢ়াগোহাঁইৰ স্মৃতি সোঁৱৰণ কৰে-

**ৰাইট (পবিত্ৰ মাৰ্ঘেৰিটা)**

০০০০০০০

পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কামৰূপ জিলাৰ চানডুবি উৎসৱৰ আজি সামৰণি পৰিছে। বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান আৰু বিয়লি সমূহীয়া জুইৰে আজি চানডুবি মেলাৰ সামৰণি পৰে। আজি অন্তিম দিনাও মেলাথলীত বহু লোকৰ সমাগম হয়। উল্লেখযোগ্য যে, বিগত ১৫ বছৰে চানডুবিৰ জৈৱ বৈচিত্ৰ্য তথা ইয়াৰ দাঁতিকাষৰীয়া জনগোষ্ঠীয় লোকসকলৰ কৃষ্টি-সংস্কৃতিৰ ৰক্ষা আৰু সংৰক্ষণৰ বাবে চানডুবি উৎসৱৰ আয়োজন কৰি অহা হৈছে। চানডুবি বিল আৰু কাষৰীয়া অঞ্চলৰ পৰ্যটনৰ সম্ভাৱনা বিকাশৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে এই উৎসৱৰ আয়োজন কৰা হয়। উৎসৱৰ অংশ হিচাপে জনগোষ্ঠীয় খাদ্যমেলা, হস্ততাঁত বস্ত্ৰ বিপণী আৰু বিভিন্ন লোকসংস্কৃতি অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০০

কাৰ্বি আংলং জিলাৰ বিভিন্ন প্ৰান্তত আজি কাৰ্বি জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত ৰীতি-নীতিৰে ৰংকেৰ পূজা পালন কৰে। জিলাখনৰ সদৰ ডিফুৰ লগতে অন্যান্য স্থানতো এই পূজাৰ আয়োজন কৰা হয়। পূজাৰ অংশ হিচাপে পুৰোহিতসকলে ৰাইজৰ অপায়-অমঙ্গল দূৰ কৰি সমাজত শান্তি আৰু ভাতৃত্ববোধৰ মনোভাৱ গঢ়ি উঠাৰ কামনা কৰে। উল্লেখযোগ্য যে কাৰ্বি জনগোষ্ঠীৰ লোকসকলে শীতকালত এই আনন্দোৎসৱ পালন কৰি বছৰটোলৈ শস্যৰ শ্ৰীবৃদ্ধি কামনা কৰাৰ লগতে সকলো বিপদ-বিঘিনি দূৰ কৰিবলৈ দেৱ-দেৱীক প্ৰাৰ্থনা জনায়। এই উৎসৱক ৰংকেৰ কাচিৰডম বা দেহাল পূজা হিচাপেও জনা যায়।

০০০০০০০

ৰাজ্যৰ অপেচাদাৰী যুৱ আলোকচিত্ৰ শিল্পীসকলক তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভা বিকশিত হোৱাত সুযোগ প্ৰদানৰ লক্ষ্যৰে দৰং জিলা ফটোগ্ৰাফিক চ'ছাইটিৰ উদ্যোগত মঙলদৈ সনাতন ধৰ্ম সভা প্ৰাংগণত কালি বিয়লিৰ পৰা ইনফিনিটি থ্ৰি পইণ্ট জীৰ' শীৰ্ষক তৃতীয় বাৰ্ষিক আলোকচিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হয়। আজি নিশা ৯ বজাত সামৰণি পৰিবলগীয়া এই দুদিনীয়া প্ৰদৰ্শনীত অসমৰ লগতে কলকাতা, লণ্ডন, ডুবাই আদি বিশ্বৰ বিভিন্ন স্থানৰ ৭০ গৰাকী আলোকচিত্ৰ শিল্পীৰ মুঠ ১২৪ খন আলোকচিত্ৰ প্ৰদৰ্শন কৰা হয়। আলোকচিত্ৰ সমূহে লেণ্ডস্কেপ, বন্যপ্ৰাণী, এষ্ট্ৰ', ষ্ট্ৰীট, এৰিয়েল, ক্ৰীড়া, বিবাহ, ফেশ্বন আদি আলোকচিত্ৰ শিল্পৰ নানান দিশ সামৰি লয়। প্ৰবীণ

চিত্ৰশিল্পী বৰুণ বৰুৱাই উদ্বোধন কৰা এই আলোকচিত্ৰ প্ৰদৰ্শনীৰ উদ্বোধনী অনুষ্ঠানত যোৱা বছৰত মৃত্যু হোৱা আলোকচিত্ৰ শিল্পী চন্দ্ৰশেখৰ ৰয় আৰু ভাস্কৰ চক্ৰৱৰ্তীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়।

০০০০০০০০

আজি ৰাষ্ট্ৰীয় পক্ষী দিৱস। বিভিন্ন বিলুপ্তপ্ৰায় পক্ষী প্ৰজাতি সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে এই দিৱস পালন কৰা হয়। অসমতো পক্ষী দিৱসৰ কাৰ্যসূচী লোৱা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা ১১ পৰা ১৩ জানুৱাৰীলৈ স্থায়ী জলচৰ আৰু পৰিভ্ৰমী পক্ষীৰ গণনা কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্প এলেকাৰ পূব অসম বন্যপ্ৰাণী বন সংমণ্ডল, নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ লগতে বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল এলেকাত ষষ্ঠবাৰৰ বাবে এই বিশেষ পক্ষী গণনা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন সংমণ্ডল বিষয়াই এই বিষয়ে জানিবলৈ দিয়ে। কাজিৰঙাত হ'বলগীয়া এই গণনাত বন বিভাগৰ বিষয়া কৰ্মচাৰী, স্বেচ্ছাসেৱী সংগঠনৰ সদস্যৰ লগতে দাঁতিকাষৰীয়া বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলকো প্ৰশিক্ষণ দি গণনা কাৰ্যসূচীত নিয়োগ কৰা হ'ব বুলি উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিয়ে। ৰাষ্ট্ৰীয় উদ্যানৰ বিল,জলাশয় আদি বিগত বৰ্ষত কৰা গণনাত ৮৮ হাজাৰ ৭১০ টা চৰাই পোৱা গৈছে। ১৮৪ বিধ বিভিন্ন প্ৰজাতিৰ চৰাই এই গণনাত পৰিলক্ষিত হৈছিল।

উল্লেখযোগ্য যে অসম চৰকাৰে পক্ষী সংৰক্ষণৰ প্ৰতি সজাগতামূলক পদক্ষেপ হিচাপে গ্ৰহণ কৰা প্ৰকল্পৰ ফলত নামেৰী ৰাষ্ট্ৰীয় উদ্যানত ৰাজ্যিক পক্ষী দেওহাঁহৰ সংখ্যা বৃদ্ধি পাইছে। দুস্প্ৰাপ্য প্ৰজাতিৰ এই পক্ষীবিধ পূৰ্বে বিহালী সংৰক্ষিত বনাঞ্চল, ডুমডুমা, ডিব্ৰু-চৈখোৱা, দিহিং-পাটকাইকে ধৰি কেইবাখনো বনাঞ্চলত পোৱা গৈছিল যদিও পৰৱৰ্তী সময়ত অন্য বনাঞ্চলসমূহত দেওহাঁহৰ অস্তিত্ব প্ৰায় নাইকিয়া হৈ পৰে। দিহিং পাটকাই আৰু নামেৰী ৰাষ্ট্ৰীয় উদ্যানতহে এই দুস্প্ৰাপ্য প্ৰজাতিৰ পক্ষীবিধ বৰ্তি থকাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে যোৱাবছৰ নামেৰিত এই প্ৰকল্প আৰম্ভ কৰে। ইয়াৰ অধীনত দেওহাঁহৰ বিচৰণ ক্ষেত্ৰ তথা বিলসমূহৰ চোৰাচিতা কৰাৰ লগতে এই পক্ষীবিধৰ উপযোগীকৈ তিনিখন বিল সাজু কৰি তোলা হয়। তিনিওখন বিললৈ যথেষ্ট সংখ্যক দেওহাঁহৰ আগমন ঘটাৰ ফলত পক্ষীবিধৰ আশা ব্যঞ্জকভাৱে বংশবৃদ্ধি হৈছে বুলি উদ্যানখনৰ সূত্ৰই প্ৰকাশ কৰে। বৰ্তমান উদ্যানখনত থকা ৭০ৰ পৰা ৮০টা দেওহাঁহ চাবলৈ দেশ-বিদেশৰ অগণন পৰ্যটকৰ আগমন ঘটে। উদ্যানখনত এই পক্ষীবিধৰ গতি-বিধি নিৰূপণৰ বাবে কমেও দুটা পক্ষীৰ দেহত ৰেডিঅ'কলাৰ নামৰ বিশেষ সঁজুলি সংস্থাপন কৰাৰ পৰিকল্পনা কৰা হৈছে বুলি নামেৰি ৰাষ্ট্ৰীয় উদ্যানৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত চিডনীত অনুষ্ঠিত চলিত টেষ্ট শৃংখলাত অষ্ট্ৰেলিয়াই ভাৰতক ৩-১ ৰ ব্যৱধানত পৰাজিত কৰি পুনৰবাৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী দখল কৰিছে। আজি খেলখনৰ তৃতীয় দিনা এই পৰাজয়ৰ ফলত ভাৰতৰ আই চি চি টেষ্ট ছেম্পিয়নশ্বিপৰ আশা নিৰ্বাপিত হয়। অষ্ট্ৰেলিয়াৰ স্কট বোলান্দক প্লেয়াৰ অৱ দ্যা মেচ আৰু যশপ্ৰীত বুমৰাক প্লেয়াৰ অৱ দ্যা চিৰিজ ঘোষণা কৰা হয়। কালি ৬টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৪১ ৰানৰ পৰা আজি পুৱা ভাৰতে খেল আৰম্ভ কৰি কেৱল ১৬ ৰানহে যোগ দিবলৈ সমৰ্থ হয়। ভাৰতে দ্বিতীয় ইনিংছত ১৫৭ ৰাণ সংগ্ৰহ কৰিছিল।

আজি পঞ্চম তথা অন্তিমখন খেলত ভাৰতে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ১৬২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। অষ্ট্ৰেলিয়াই এই লক্ষ্য মাত্ৰ ২৭ অভাৰতে ৪ টা উইকেটৰ বিনিময়ত অনায়াসে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ প্ৰসিদ্ধ কৃষ্ণাই ৬৫ ৰান খৰছ কৰি ৩ টা উইকেট লাভ কৰে। মহম্মদ চিৰাজে এটা উইকেট লাভ কৰে।

০০০০০০০০

নতুন দিল্লীৰ ত্যাগৰাজ ষ্টেডিয়ামত অনুষ্ঠিত সদৌ ভাৰত অসামৰিক সেৱা বেডমিণ্টন চেম্পিয়নশ্বিপত শ্বিলঙৰ আৰ এছ বি মহিলা বেডমিণ্টন দলে পাটনাৰ আঞ্চলিক ক্ৰীড়া বৰ্ডক ২-০ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ লাভ কৰিছে। প্ৰথম একক খেলত আৰ এছ বি, শ্বিলঙৰ অমোলিকা সিং চিছোদিয়াই বিভা কুমাৰীক ২১-১১, ২১-১২ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, প্ৰথম ডাবলছ খেলত শ্বিলঙৰ অমোলিকা সিং চিছোদিয়া আৰু পিংকি কাৰ্কিয়ে চিমৰন কলিতা আৰু দিপালী গুপ্তক ২১-১৪, ২১-১৬ ব্যৱধানত পৰাস্ত কৰে। ইফালে, আৰ এছ বি, শ্বিলঙৰ পুৰুষ দলেও ২৩ বছৰৰ পিছত ফাইনেলত উপনীত হৈছিল যদিও আৰ এছ বি, ছিমলাৰ হাতত ২-৩ ব্যৱধানত পৰাজিত হৈছিল।

০০০০০০০০

শিৱসাগৰ নগৰৰ সমীপৰ পানবেচা বেটনাত আজি প্ৰথমবাৰৰ বাবে মাৰাথনৰ আয়োজন কৰা হয়। পানবেচা টাইকোৱানডো একাডেমী আৰু স্থানীয় ৰাইজৰ সহযোগত আয়োজিত এই মাৰাথনত কোকৰাঝাৰ, বঙাইগাঁও, ডিব্ৰুগড়কে ধৰি কেইবাখনো জিলাৰ ২০০ৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ২১ কিলোমিটাৰ দূৰত্বৰ এই মাৰাথনত গোলাঘাটৰ তিলেশ্বৰ কুৰ্মীয়ে প্ৰথমস্থান দখল কৰে। এই মাৰাথনৰ সৈতে সংগতি ৰাখি পুৰা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ আৰু সম্বৰ্ধনাকে ধৰি ভালেমান কাৰ্যসূচী লোৱা হৈছিল। মূল মাৰাথনৰ পূৰ্বে মহিলা আৰু কিশোৰীসকলৰ মাজত মিনি মাৰাথন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৭ বাজি ৪৫ মিনিটত অসমত বান নিয়ন্ত্ৰণৰ বাবে নিৰ্মাণ কৰা মথাউৰিসমূহৰ কাৰ্যকাৰিতা সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। অনুষ্ঠানটো প্ৰযোজনা আৰু উপস্থাপন কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০০০

**সমাপ্ত**